**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-06-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। পশ্চিমবংগৰ নিউ জলপাইগুৰি ৰে'ল ষ্টেচনৰ সমীপত শিয়ালদহলৈ গৈ থকা কাঞ্চনজংঘা এক্সপ্ৰেছ আৰু এখন মালবাহী ৰে'লৰ মাজত হোৱা এটা দুৰ্ঘটনাত ৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৩০ জন লোক আহত হৈছে।

২। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ৰে'ল দুৰ্ঘটনাত নিহত হোৱা লোকসকলৰ প্ৰতি গভীৰ শোক প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বিয়লি নতুন দিল্লীত মণিপুৰৰ নিৰাপত্তা পৰিস্থিতি সন্দৰ্ভত পৰ্যালোচনাৰ উদ্দেশ্যে এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰিব।

৪। ইছলামধৰ্মী লোকসকলৰ পবিত্ৰ উৎসৱ ঈদ-উল-আজহা আজি সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে উদযাপন কৰা হৈছে।

আৰু

৫। আই চি চি টী-২০ বিশ্বকাপৰ এখন খেলত আজি নিশা নিউজিলেণ্ড পাপুৱা নিউগিনিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

পশ্চিমবংগৰ নিউ জলপাইগুৰি ৰে'ল ষ্টেচনৰ সমীপত শিয়ালদহলৈ গৈ থকা কাঞ্চনজংঘা এক্সপ্ৰেছ আৰু এখন মালবাহী ৰে'লৰ মাজত হোৱা এটা দুৰ্ঘটনাত ৮ জন লোকৰ মৃত্যু হোৱাৰ লগতে ৩০ জন লোক আহত হৈছে। ৰে'ল বিভাগৰ সূত্ৰই জনোৱা অনুসৰি মালবাহী ৰে'লখন ছিগনেল পোৱাৰ আগেয়ে ৰাওনা হয় আৰু কাঞ্চনজংঘা এক্সপ্ৰেছৰ পাছফালে খুন্দা মাৰে। ৰাষ্ট্ৰীয় দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ দল আৰু ১৫ খন এম্বুলেঞ্চ ইতিমধ্যে দুৰ্ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ কাৰ্য আৰম্ভ কৰিছে। দুৰ্ঘটনা সম্পৰ্কীয় তথ্যৰ বাবে ৰে'ল বিভাগে বিভিন্ন স্থানত হেল্প ডেস্ক স্থাপন কৰিছে। শিয়ালদহ ষ্টেচনৰ বাবে হেল্পলাইন নম্বৰ হৈছে - ০৩৩-২৩৫০৪৭৯৪, ০৩৩-২৩৪৩৩৩২৬। আলোৱাবাৰী ৰোড জৰুৰীকালীন নম্বৰ - ৮১৭০০-৩৪২৩৫, কিষাণগঞ্জৰ ৭৫৪২০–২৮০২০, ডালখোলাৰ ৮১৭০০-৩৪২২৮, বাৰছ'ইৰ - ৭৫৪১৮-০৬৩৫৮, ছামছিৰ জৰুৰীকালীন নম্বৰ হৈছে - ০৩৫১৩-২৬৫৬৯০।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পশ্চিমবংগত সংঘটিত ৰে'ল দুৰ্ঘটনাটোত গভীৰ শোক প্ৰকাশ কৰিছে। এটা শোকবাৰ্তাত ৰাষ্ট্ৰপতিয়ে কয় যে এই ঘটনা অতি দুখজনক আৰু তেওঁৰ সমবেদনা তথা প্ৰাৰ্থনা শোকসন্তপ্ত পৰিয়ালবৰ্গৰ সৈতে আছে। ৰাষ্ট্ৰপতিয়ে আহতসকলৰ শীঘ্ৰেই আৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই দুৰ্ঘটনাত প্ৰিয়জনক হেৰুওৱা প্ৰতিটো পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু-আৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰীয়ে পৰিস্থিতিৰ বুজ লোৱাৰ উদ্দেশ্যে বিষয়াসকলৰ সৈতে বাৰ্তালাপ কৰে। তেওঁ কয় যে আক্ৰান্তসকলক সহায়ৰ লগতে উদ্ধাৰ অভিযান ইতিমধ্যে আৰম্ভ হৈছে আৰু ৰে'লমন্ত্ৰী অশ্বিনী বৈষ্ণৱে দুৰ্ঘটনাস্থলীলৈ ৰাওনা হৈছে। শ্ৰী মোদীয়ে প্ৰধানমন্ত্ৰীৰ ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা প্ৰতিগৰাকী নিহতৰ নিকটাত্মীয়লৈ ২ লাখ টকা আৰু আহতসকললৈ ৫০ হাজাৰ টকাৰ এককালীন সাহায্যৰ বিষয়েও ঘোষণা কৰিছে।

কাটিহাৰ ৰে'ল সংমণ্ডলৰ প্ৰৱন্ধকে জনোৱা অনুসৰি ৰে'ল দুৰ্ঘটনাটোৰ পৰিপ্ৰেক্ষিতত কাটিহাৰ-নিউজলপাইগুৰি খণ্ডৰ ৰে'ল যাতায়াত প্ৰভাৱিত হৈছে। ডিব্ৰুগড়-নতুন দিল্লী ৰাজধানী এক্সপ্ৰেছ, হাওৰা-নিউ জলপাইগুৰি বন্দে ভাৰত এক্সপ্ৰেছকে ধৰি ৯খন ৰে'লৰ যাত্ৰাপথ সলনি কৰি নিউ জলপাইগুৰি, শিলিগুড়ি, বাগডোগ্ৰা, আলুৱাবাৰী ৰে'ল শাখাৰ পথেৰে যাতায়াতৰ ব্যৱস্থা কৰা হৈছে। দুৰ্ঘটনাটোৰ পাছত গুৱাহাটী-আগৰতলা আৰু উত্তৰ-পূব অভিমুখী কেইবাখনো ৰে'ল ভিন ভিন ৰে'ল ষ্টেচনত আৱদ্ধ হৈ আছে।

000000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বিয়লি নতুন দিল্লীত মণিপুৰৰ নিৰাপত্তা পৰিস্থিতি পৰ্যালোচনাৰ উদ্দেশ্যে এখন উচ্চ পৰ্যায়ৰ বৈঠকত অধ্যক্ষতা কৰিব। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়া, সেনা বাহিনী আৰু আন আন নিৰাপত্তা সংস্থাসমূহৰ বিষয়াসকলে এই বৈঠকত অংশগ্ৰহণ কৰিব।

ooooooooo

ইছলামধৰ্মী লোকসকলৰ পবিত্ৰ উৎসৱ ঈদ-উল-আজহা আজি সম্পূৰ্ণ ধৰ্মীয় ৰীতি-নীতিৰে উদযাপন কৰা হৈছে। সমগ্ৰ দেশৰ লগতে অসমতো ঈদৰ উছাহ পৰিলক্ষিত হৈছে। ঈদ উপলক্ষে মছজিদ আৰু ঈদগাহসমূহ সজাই-পৰাই তোলা হৈছে। পুৱাৰ ভাগতে মছজিদ আৰু ঈদগাহসমূহত নামাজ পঢ়াৰ লগতে ইজনে-সিজনক ঈদৰ শুভেচ্ছা জ্ঞাপন কৰে। ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ জামা মছজিদ, ফতেহপুৰ মছজিদ আৰু শ্বাহী ঈদগাহত ঈদৰ মূল কাৰ্যসূচী উদযাপন কৰা হয়। এই উপলক্ষে দিয়া ভাষণত নামাজৰ নেতৃত্ব দিয়া ইমামসকলে জনসাধাৰণক শান্তি, সম্প্ৰীতি বজাই ৰখাৰ লগতে ভাতৃত্ববোধৰ মূল মন্ত্ৰৰে উদযাপিত এই উৎসৱ পালন কৰিবলৈ আহ্বান জনায়। ঈশ্বৰৰ নিৰ্দেশ মানি হজৰত ইব্ৰাহিমে তেওঁৰ একমাত্ৰ পুত্ৰক বলিদান দিয়াৰ স্মৃতিত এই উৎসৱ পালন কৰা হয়।

ঈদ উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে দেশবাসীক শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বাৰ্তাত ঈদ-উল-আজহাক ত্যাগৰ প্ৰতীক হিচাপে বৰ্ণনা কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, এই উৎসৱে প্ৰেম, ভাতৃত্ববোধ আৰু সামাজিক সম্প্ৰীতিৰ বাৰ্তা বহন কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এই উৎসৱত ৰাইজক একতা, দয়া আৰু সংহতিৰ মূল্যবোধ সন্দৰ্ভত চিন্তা কৰিবলৈ আহ্বান জনায়।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বিশেষ উৎসৱে সমাজৰ একতা আৰু সম্প্ৰীতিৰ বান্ধোন অধিক কটকটীয়া কৰিব বুলি আশা প্ৰকাশ কৰে। তেওঁ প্ৰত্যেককে সুখী আৰু সুস্বাস্থ্যৰ অধিকীৰ হ'বৰ বাবেও শুভেচ্ছা জ্ঞাপন কৰে।

oooooooo

মুম্বাইত তথ্যচিত্ৰ, ছুটি ছবি তথা এনিমেশ্যনৰ অষ্টাদশ আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱ সম্প্ৰতি চলি আছে। মহোৎসৱৰ লগত সংগতি ৰাখি আজি পুৱা বিভিন্ন বিষয়ৰ পেনেল পৰ্যালোচনা অনুষ্ঠিত হয়। উল্লেখযোগ্য যে এইবাৰ মুম্বাই আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱত ৫৯ খন দেশৰ ৬১ টা ভাষাৰ ৩১৪ খন চলচ্চিত্ৰ প্ৰদৰ্শিত হ'ব। ছদিনীয়া এই মহোৎসৱৰ অহা ২১ জুনত অন্ত পৰিব।

ooooooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয়টো কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হ'বলগীয়া প্ৰথম খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী আৰু দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানৰ ঠিক পাছতেই আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা চাৰে ন বজাত স্বাস্থ্য আৰু কল্যাণৰ বাবে যোগ সন্দৰ্ভত মোৰাৰজী দেশাই ৰাষ্ট্ৰীয় যোগ প্ৰতিষ্ঠানৰ যোগ বিশেষজ্ঞ ডাঃ সুৰক্ষিত গোস্বামী আৰু যোগ চিকিৎসা কাৰ্যসূচী বিষয়া ডাঃ ঈশ্বৰ এন আচাৰ্য্যৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি **যোগভ্যাসৰ বিভিন্ন দিশ** সম্পৰ্কে বিশেষজ্ঞ দুগৰাকীক প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে ৯২৮৯০ ৯৪০৪৪ নম্বৰত ৱাটছ্এপ যোগেও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। ইয়াৰ লগতে আমাৰ ৱেৱছাইট newsonair.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান প্ৰচাৰ হ'ব।

০০০০০০০০

টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ আজি গ্ৰুপ 'ডি'ৰ এখন খেলত বাংলাদেশে নেপালক ২১ ৰানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি বাংলাদেশে নেপালক জয়ৰ বাবে ১০৬ ৰাণৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে যদিও নেপালে ১৯ অ'ভাৰ দুটা বলত আটাইকেইটা উইকেট হেৰুৱাই ৮৫ ৰানহে সংগ্ৰহ কৰে। এই জয়ৰ লগে লগে বাংলাদেশে ছুপাৰ এইট পৰ্যায়ত স্থান নিশ্চিত কৰে।

আনহাতে, ছেইণ্ট লুছিয়াৰ ডাৰেনছেমি নেচনেল ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত গ্ৰুপ ডিৰ দ্বিতীয়খন খেলত শ্ৰীলংকাই নেডাৰলেণ্ডছক ৮৩ ৰানত পৰাস্ত কৰে। খেলখনত টছত জয়ী হৈ শ্ৰীলংকাক বেটিঙৰ বাবে আমন্ত্ৰণ জনায়। ২০১ ৰাণৰ বিজয় লক্ষ্যৰে খেলি নেডাৰলেণ্ডছে ১৬ অভাৰ ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১১৮ ৰাণহে কৰিবলৈ সমৰ্থ হয়। শ্ৰীলংকাৰ হৈ চৰিত আছালাংকাই ২১ টা বলত ৪৬, ওচল মেন্দিছে ২৯ টা বলত ৪৬ ৰান কৰে। চৰিত আছালাংকাক মেন অৱ্ দা মেচ হিচাপে ঘোষণা কৰা হয়।

ইপিনে, গ্ৰুপ 'চি'ৰ এখন খেলত আজি নিউজিলেণ্ডে পাপুৱা নিউগিনিয়াৰ বিৰুদ্ধে খেলিব। খেলখন ৱেষ্ট ইণ্ডিজৰ ট্ৰা'উবাৰ ব্ৰায়ান লাৰা ষ্টেডিয়ামত নিশা ৮ বজাত অনুষ্ঠিত হ'ব।

ফ্ল'ৰিডাত কালি নিশা অনুষ্ঠিত এখন খেলত পাকিস্তানে আয়াৰলেণ্ডক ৩ উইকেটত পৰাস্ত কৰে।

উল্লেখযোগ্য যে ইতিমধ্যে পাকিস্তান আৰু আয়াৰলেণ্ড প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে। আনহাতে ভাৰত আৰু আমেৰিকাই গ্ৰুপ এৰ পৰা ছুপাৰ এইটত উপনীত হৈছে।

0000

**সমাপ্ত**